**ভাৰতীয় জনতা পাৰ্টি**

**(কেন্দ্ৰীয় কাৰ্য্যালয়)**

**১১, অশোক ৰোড, নতুন দিল্লী-০০১**

**দুৰভাষ নং - ২৩০০৫৭০০, ফেক্স - ২৩০০৫৭৮৭**

**১৫ জানুৱাৰী ২০১৪ তাৰিখ বুধবাৰে বি জে পি ৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ আৰু সংসদৰ সদস্য শ্ৰীযুত প্ৰকাশ জাভেদকাৰৰ দ্বাৰা জাৰী কৰা প্ৰেছ বিজ্ঞপ্তি**

বি জে পি য়ে দাবী কৰিছে যে ই পি এছ ৯৫ (ই পি এছ পেঞ্চন) ৰ অন্তৰ্গত নুন্যতম পেঞ্চন ৩০০০ টকা প্ৰতি মাহে কৰাৰ ঘোষণা কৰিব লাগে । চৰকাৰে প্ৰস্তাৱ কৰা পেঞ্চনৰ পৰিমাণ ১০০০ টকা প্ৰতি মাহে দেশৰ কাম কৰা লোকসকলৰ বাবে কেৱল প্ৰতিক ৰূপতহে গণ্য কৰা হ'ব আৰু অপকাৰহে হ'ব । চৰকাৰে আচঁনিৰ জড়িয়তে ১০০০ টকা প্ৰতি মাহে নূন্যতম পেঞ্চন ঘোষনা কৰা প্ৰতিবেদনৰ ভিত্তিত এইয়া দাবী কৰিছে । এইয়া যথেষ্ট কম আৰু দেৰিকৈ লোৱা সিদ্ধান্তক, বি জে পি য়ে সমালোচনা কৰিছে । বি জে পি য়ে প্ৰথমৰ পৰাই এই আচঁনিৰ অন্তৰ্গত পেঞ্চন বৃদ্ধি কৰাৰ বাবে দাবী কৰি আহিছে, যাৰ ফলত ৪১ লাখ পেঞ্চনভোগী আৰু ৫০ মিলিয়ন শ্ৰমিক লাভান্বিত হ'ব ।

শ্ৰীযুত প্ৰকাশ জাভেডকাৰে ৰাজ্য সভাৰ আবেদন কমিটিলৈ নূন্যতম পেঞ্চন ৩০০০ টকালৈকে বৃদ্ধি কৰাৰ আবেদন দিছে আৰু লগতে দাবী কৰিছে যে এইয়া মুদ্ৰাস্ফীতিৰ সূচক হ'ব লাগে । ৰাজ্য সভাৰ পিটিচন কমিটিয়ে সকলো দাবী মানি লৈ চৰকাৰলৈ মুখ্য দাবী সমূহ মানি লোৱাৰ প্ৰস্তাৱৰ লগত এই আচঁনিখনো উন্নত কৰাৰ প্ৰস্তাৱ আগ বঢ়াইছে । পিটিচন কমিটিৰ এই প্ৰতিবেদন সংসদৰ শীতকালীন অধিবেশনত প্ৰস্তুত কৰা হ'ব । চৰকাৰে এই প্ৰস্তাৱ মানি লোৱাৰ বিপৰীতে শ্ৰমমন্ত্ৰীয়ে পুৰণি প্ৰস্তাৱহে গ্ৰহণ কৰাৰ চিন্তা কৰিছে ।

৫০ মিলিয়ন শ্ৰমিকে (ৱৰ্কাৰ) নিজৰ প্ৰাপ্যৰ ৮.৩৩ শতাংশ প্ৰভিডেন্ট ফাণ্ড জমা কৰে । নিয়োগকৰ্ত্তাইও (এমপ্লয়াৰ) ৮.৩৩ শতাংশ প্ৰভিডেন্ট ফাণ্ড জমা কৰে । চৰকাৰে কেৱল ১.১৬ শতাংশহে পেঞ্চন আচঁনি সমূহত জমা কৰে । চৰকাৰৰ দ্বাৰা ইমান কম পৰিমাণ যোগ দিয়াৰ ফলত মুঠ ৪১ লাখ পেঞ্চনাৰৰ পৰা মাত্ৰ ৩০ লাখ পেঞ্চনাৰেহে ১০০০ টকাতকৈও কম টকা পেঞ্চন হিচাপে প্ৰতি মাহে লাভ কৰে । ২০ লাখ পেঞ্চনাৰতকৈও অধিক পেঞ্চনাৰে কেৱল ৫০০ টকাহে

প্ৰতি মাহে লাভ কৰে । চৰকাৰে এতিয়া যি ১.১৬ শতাংশ সহযোগ কৰি আছিলে সেইয়া ১.৭৯ শতাংশলৈ বৃদ্ধি কৰাৰ চৰ্চা কৰি আছে । বি জে পি য়ে দাবী কৰে যে চৰকাৰেও ৮.৩৩ শতাংশ সাহাৰ্য্য পেঞ্চন আচঁনিত যোগ কৰিব লাগে যাতে ৩০০০ টকা নূন্যতম পেঞ্চন হিচাপে শ্ৰমিকসকলক দিব পৰা যায় ।

ইউ পি এ চৰকাৰ, শ্ৰম বিৰোধী চৰকাৰ হিচাপে প্ৰমাণিত হৈছে । তেওঁলোকে ঠিকা ব্যৱস্থাৰ জড়িয়তে শ্ৰমিকৰ শোষণ কৰাৰ ব্যৱস্থা চলাই নিব বিচাৰিছে । বি জে পি য়ে শ্ৰমিক শ্ৰেণীৰ লোকসকলক উচিত পাৰিশ্ৰমিক আৰু সামাজিক সুৰক্ষা দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ ।

অৰুণ কুমাৰ জৈন

(কাৰ্য্যলয় সম্পাদক)